## শ্ৰেণী কোঠাত শিক্ষাৰ্থীকেন্দ্ৰিক পথ গ্ৰহণত প্ৰধান শিক্ষকৰ ভূমিকা (Role of Head Master/Principals for a Learner Centred Classroom Approach)

**নীলিমা শৰ্মা মহন্ত**

**অৱসৰী প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান**

**প্ৰস্তাৱনা** (Preamble):

শিশুকেন্দ্ৰিক বা শিক্ষাৰ্থীকেন্দ্ৰিক শিক্ষণ-শিকন ব্যৱস্থাত শিক্ষাগুৰুজনে ছাত্ৰ-ছাত্ৰীৰ মনোবিজ্ঞান জনাৰ উপৰি শিকাৰুৰ ভাললগা আৰু বেয়া পোৱা দুয়োটা দিশ জানিব লাগিব। পঢ়োৱাৰ কাৰণে শিক্ষকৰ প্ৰস্তুতি, শিকাৰ কাৰণে ছাত্ৰ-ছাত্ৰীৰ প্ৰস্তুতি আৰু পাঠদান শিক্ষণ-শিকন সামগ্ৰী- এই তিনিটাৰ সংমিশ্ৰন ঘটিলেহে শিক্ষাৰ্থীকেন্দ্ৰিক শিকন শক্তিশালী হয়। শিক্ষকজনে ছাত্ৰ-ছাত্ৰীসকলক যেনেদৰে জানে, বুজিব পাৰে বা ভাব বিনিময় কৰে, এনে কথাবোৰ শিকনৰ প্ৰক্ৰিয়াত আৰু শিকাৰুৰ অভিৰোচনৰ ওপৰত নিৰ্ভৰশীল। চিত্ৰাংস্কন, ছবি, মডেল, নক্সা আদি ব্যৱহাৰ কৰি শিকাৰুৰ মনত আকৰ্ষণ বঢ়াব পাৰি। ছাত্ৰ-ছাত্ৰীৰ ঘৰুৱা পৰিৱেশ,অভিভাৱক,বিদ্যালয় আৰু চাৰিওফালৰ পৰিস্থিতি, শিশুমনোবিজ্ঞান জনা , শ্ৰেণীকোঠাৰ পৰিস্থিতি, ছাত্ৰ-ছাত্ৰী আচৰণ , ব্যৱহাৰ ,সদাচাৰ, সংস্কৃতি, শিকনত পোৱা অসুবিধা বা মনোকষ্টবোৰৰ বেদনা, দায়িত্ববোধ, শিক্ষকৰ ভূমিকা আদি কাৰ্য বোৰেই শ্ৰেণী কক্ষত শিক্ষাৰ্থী কেন্দ্ৰিক পথ প্ৰদৰ্শণত উল্লেষযোগ্য ভূমিকা গ্ৰহন কৰে । বিদ্যালয়খনৰ বাহিৰৰ- ভিতৰৰ পৰিৱেশ, শিক্ষকৰ অভিজ্ঞতা, মাতকথা আৰু প্ৰশ্নোত্তৰ শিতান , মূল্যয়ন ব্যৱস্থাৱলী, পৰিৱেশ সমল আৰু তথ্যবোৰৰ ব্যৱহাৰ আৰু শিক্ষকৰ দৃষ্টিভংগী লগতে সশ্ৰদ্ধ সংস্কৃতিৰ বাবে শিক্ষাদান কৰা কাৰ্য, শিক্ষকৰ ব্যক্তিগত দক্ষ্যতাৰ ভিত্তিত শ্ৰেণীত ছাত্ৰ-ছাত্ৰীবোৰৰ শিকনত সৰল দৃঢ়তা প্ৰকাশ পায়।

**মডিয়ুলৰ লক্ষ্যবোৰ** (Learning Objectives)

1. শিক্ষাৰ্থীকেন্দ্ৰিক শিকনৰ মাত্ৰা বুজিব পৰা, শিক্ষাৰ্থীসকলক শিক্ষকে জনা আৰু বিষয়বস্তুৰ মনোগ্ৰাহী কৰিব পৰা
2. শিক্ষাৰ্থীকেন্দ্ৰিক শিকনত কেনেধৰণৰ পাঠ পৰিকল্পনা প্ৰস্তুত কৰিব? তাক বুজিব পৰা
3. বৰ্ণনাকাৰীৰ আশা-প্ৰত্যাশাৰ বাবে মূল্যয়ন ব্যৱস্থা কেনে হ'ব লাগে জানিব পৰা
4. শিক্ষকৰ দৃষ্টিভংগীত সশ্ৰদ্ধ সংস্কৃতিৰ বাবে বৰ্ণনামূলক ভাব প্ৰকাশ কৰিব
5. শিক্ষাদান কৰা সম্প্ৰদায়ৰ মাজতে শিক্ষকৰ কাৰ্য সাধনাৰ মান অব্যাহত ৰাখিব পৰা
6. শিকনৰ পৰিৱেশ ফলপ্ৰসূ হোৱাকৈ নিয়ন্ত্ৰণ কৰিবলৈ শিকন কাৰ্য সম্পাদন কৰিব পৰা

**মডিয়ুলত ব্যৱহৃত মূল শব্দবোৰ** (Keywords used)

শিশুমনোবিজ্ঞান, সহানুভূতিশীল, শিক্ষাৰ্থীকেন্দ্ৰিক শিকন, শিশুৰ আচৰণ, অস্বাভাৱিক মনোকষ্ট, শিক্ষকৰ বিকাশ, সাম্প্ৰতিক গতি প্ৰৱাহৰ প্ৰামানিকলিপি, বিকাশ প্ৰতিপুষ্টি, মূল্যয়নৰ সংযোজন, উপস্থাপন, আচৰণ নিয়ন্ত্ৰণ, সশ্ৰদ্ধ সংস্কৃতি, বৃত্তিগত দক্ষতা, বহুভাষিক পদ্ধতি, মননশীলবোধ।

**প্ৰধান শিক্ষকৰ ভূমিকা – শ্ৰেণীকক্ষত শিক্ষাৰ্থীকেন্দ্ৰিক শিকনৰ পথ গ্ৰহন(**Learner Centered Classroom Approach)-

**শিক্ষাৰ্থীকেন্দ্ৰিক পথ গ্ৰহন** (Accept Learner Centered Approach- সকলো শিক্ষকে শ্ৰেণীকক্ষত এই ক্ৰিয়া-কলাপটো কৰাব। সৰুতে তোমাক শিকোৱা শিক্ষক এজনক যিজনক তুমি ভালপোৱা – তেওঁক মনত পেলোৱা আৰু কিয় ভলপোৱা তাৰ কাৰণ দৰ্শাই পাঁচটা বাক্য লিখা-

ভালপোৱাৰ কাৰণ ( দলত আলোচনা কৰি যুক্তি প্ৰদৰ্শন কৰিব)

১. সহানুভূতিশীল

২.

৩.

৪.

৫.

**শিক্ষাৰ্থীকেন্দ্ৰিক শ্ৰেণীকোঠাৰ বাবে শিক্ষাৰ্থীসকলক বুজিপোৱা(**Understanding the Learner for a learner centered classroom ):

**সোধক-বৰ্ণনাকৰক-সোধক** (Ask-Describe-Ask Model) ব্যৱহাৰ কৰিব।

১. আপুনি আপোনাৰ শিক্ষাৰ্থী (ছাত্ৰ-ছাত্ৰী) সকলক কিমানখিনি জানে ?

২. ভাললগা, বেয়া লগা

৩. ঘৰুৱা পৰিৱেশ, বিদ্যালয়খনৰ পৰিৱেশ

৪. শিক্ষাৰ্থীৰ অভিভাৱকসকলক জনা

৫. শিক্ষাৰ্থীসকলৰ সম্বন্ধে কিছু পাৰ্শ্বছবি / নিজৰ মনত বিৱৰণ ৰাখেনে ?

৬. শিক্ষাৰ্থীসকলে তেওঁলোকৰমতে চলিব বিচাৰে ? আনতকৈ কিছু বেলেগ ধৰণে আচৰণ কৰে নেকি ?

৭. যদি শিক্ষাৰ্থীজনে কৰিবনলগীয়া ধৰনে আচৰণ কৰে তেতিয়া কি কৰিব ?

৮. আপুনি আপোনাৰ জ্যেষ্ঠ সহকৰ্মীক কৰিবনলগীয়া আচৰণৰ কথা জনাব নে ? নে প্ৰধান শিক্ষকজনলৈ পোনে পোনে যাব ?

৯. আপুনি আপোনাৰ শিক্ষাৰ্থীসকলৰ সমস্যাসমূহ মনোযোগেৰে শুনিবলৈ আগ্ৰহ কৰেনে ?

১০. আপুনি গোটেই পৰিস্থিতিটো তাৰ/তাইৰ সহায় হোৱাকৈ বিশ্লেষণ কৰিবলৈ চেষ্টা কৰেনে ?

১১. শিক্ষাৰ্থীসকলক সহায় কৰিবলৈ আপুনি কেনেদৰে চিন্তা কৰে ?

১২. শিক্ষকে বিভিন্ন পৰিস্থিতিত কেনেকৈ আচৰণ কৰিব লাগে, সেই সম্পৰ্কে উল্লেখ থকা কোনো শিশু মনোবিজ্ঞানৰ পুথি আৰু গৱেষণামূলক পত্ৰ আপুনি পঢ়িছেনে ?

১৩. আপুনি আপোনাৰ শিশুৰ দৰে শিক্ষাৰ্থীসকলক শ্ৰেণীকোঠাৰ  পৰিস্থিতিত পৰিচালনা কৰাত কিমান  পাৰ্গত ?

১৪. আপুনি ভাবেনে যে শ্ৰেণীকোঠাত শিক্ষাৰ্থীৰ অমূলক আচৰণৰ মূল কাৰণ আপোনাৰ শিক্ষাৰ্থীৰ লগত যোগাযোগৰ ব্যৰ্থতাৰ বাবেই ।

১৫. আপুনি জানেনে আপোনাৰ আচৰণৰ বাবে প্ৰতি শিশুৱে টোপনিবিহীনভাৱে কেইৰাতি কটাবলগীয়া হৈছে ? (প্ৰতিফলন)

১৬. আপুনি ঘৰত আপোনাৰ শিশুটিক কৰা আচৰণৰ দৰে শিক্ষাৰ্থীসকলক কৰিব পাৰিবনে ?

১৭. টান কথা, শাৰীৰিকভাৱে আঘাত কৰা , ঠাট্টা কৰা, আন শিক্ষকৰ সন্মূখতেই বেয়া শব্দ ব্যৱহাৰ কৰি কৈছে নে ? (RTE Act,2009)

**আপোনাৰ মূল্যায়ন হৈ আছে আপুনি খবৰ ৰাখিছেনে** (You are being evaluating ,Do you Know)?

১. আপুনি জানেনে যে আপোনাৰ শিক্ষাৰ্থীৰ দ্বাৰা আপোনাৰো মূল্যায়ন হৈ আছে ?

২. আপুনি জানেনে আপোনাৰ শিক্ষাৰ্থীয়ে আপুনি কিমান জানে সেই বিষয় বুজি পায় ?

৩. আপুনি তেওঁলোকৰ সম্বন্ধে কি ভাবে, সেই বিষয়লৈ কোনোধৰণৰ উদ্বিগ্নতা প্ৰকাশ নকৰে ?

৪. আপুনি জানেনে শিক্ষাৰ্থীসকলে আপোনাৰ বাবে ভাল কাম কৰে আৰু ভাল কাম কৰি দেখুৱাবলৈ কিছু অস্বাভাবিক মনোকষ্ট পায় যিহেতু তেওঁলোকে আপোনাক ভালপায় ?

৫. আপুনি জানেনে কিছুমান অচিনাকি শিক্ষকৰ মুখ শিক্ষাৰ্থীৰ মনলৈ সদায় আহি থাকে আৰু তেওঁলোকৰ বৃদ্ধ কাললৈও সেই মুখবোৰ ইতিবাচকধৰণে আহি থাকে ? (প্ৰতিফলন)

**দিনটোৰ বাবে কাম আপুনি কেনেকৈ সম্পাদন কৰিব** (How to Execute/implement the Tasks for the day)?

- নিৰ্দেশনা অনুসৰি কৰিব ? কাৰ নিৰ্দেশনা, কিহৰ নিৰ্দেশনা?
- মই যি কৈছিলোঁ সেইটোকে কিয় কৰিছিলোঁ ?
- তুমি কৰা এই কামটো কিয় কৰিছিলোঁ ?

**ওপৰৰ আলোচনাত হোৱা সকলোবোৰ বিশেষজ্ঞব্যক্তিৰ দ্বাৰা সংক্ষিপ্তসাৰ কৰক** (Summing up by the Expert of the above discussion)

শিক্ষকৰ বিকাশৰ কাৰ্যসূচীত (Introduce yourself in Teacher Aadvancement Programmed-TAP) নিজকে পৰিচয় কৰাওক-

শুভ আবেলি/সু-প্ৰভাত বুলি শিক্ষক সকলক আদৰণি (Welcome to All-say Good Morning/Good Evening)

১. এজন সদালাপীলোক / বাক্ চতুৰলোক জনপ্ৰিয় কিয় চিন্তা কৰক।

২. এজন ভাল শ্ৰোতা তাতোকৈ বেছি জনপ্ৰিয় ৰাইজৰ মাজত কিয় বাৰু?

৩. কোৱাৰ আগতে ভাবক, ক'বলৈ চেষ্টা কৰিব।

৪. তেতিয়াহে ক'ব যেতিয়া আপোনাৰ কিবা ক'বলৈ থাকে আৰু যেতিয়া ক'ব–যিমান পাৰে সিমান চমুকৈ ক'বলৈ চেষ্টা কৰিব আৰু যদি কোনোবাই কিবা শুদ্ধকৈ কয় তেওঁৰ কামৰ বাবে পুৰস্কৃত কৰিব

**শিক্ষক বিকাশৰ কাৰ্যসূচীলৈ স্বাগতম**(Introducing you to Teacher Development Programmed )-

- মই শ্ৰেণীকোঠাৰ শিক্ষাৰ্থী সকলৰলগত পৰিচয় কৰাম
- যদি আপোনালোকৰ উপস্থাপনৰ সময়ত কোনো প্ৰশ্ন সুধিবলৈ আছে তেনেহলে অনুগ্ৰহ কৰি হাত দাঙিব আৰু তেওঁক মতালৈকে ধৈৰ্য ধৰি ৰখিব।

**আজিৰ শ্ৰেণীৰ কিছু কথা-**আপুনি অভিজ্ঞতাৰে সমৃদ্ধ হ'ব( A few things about the classes today)- You will be able to experience----

- কিয় আপুনি আপোনাৰ শিক্ষাৰ্থীক জনাৰ প্ৰয়োজন ?
- আপোনাৰ বন্ধুসকলে পৃথিৱীৰ আনটো ফালত কি কৰি আছে ?
- আপোনাৰ পৰা কি আশা কৰিব পাৰি , যেতিয়া আপুনি উভতিগৈ কাম আৰম্ভ কৰিব
- বৃত্তিধাৰীব্যক্তি হিচাপে আপোনাৰ বিকাশৰ প্ৰয়োজন কিয় ?
- আপোনাৰ বিকাশৰ প্ৰয়োজন বুলি কেনেকৈ বুজিলে ?
- প্ৰয়োজন সাপেক্ষে গ্ৰহন কৰা দায়িত্ববোৰত আপোনাৰ কৰ্তব্য পালনত শেষ আছেনে ?

**এই মূহুৰ্ত্তত শিক্ষাৰ্থীসকলৰ বাবে প্ৰয়োগ কৰিব পৰা এটা বিশেষ কাৰ্য কৌশল**(Specific strategy for learners is being applied at this moment)-

গুৰুত্ব আৰোপ কৰিব- **মোৰ আহিলা আৰু কৌশল**(My Tools and Techniques)-

- ব্যক্তি, যুৰীয়াকাম, দলগতকাম আৰু সম্পূৰ্ণ শ্ৰেণীকোঠাৰ ক্ৰিয়া-কলাপ ।
- কলম, হোৱাইট বৰ্ড, বাতৰিকাকত, কাৰ্ড, পিপিটি, শ্লাইড ।
- মৌলিক উপাদান (তথ্য)
- আমাৰ সামৰ্থ্য কেনেধৰণৰ হোৱা উচিত ?

→ এন চি এফ ২০০৫ বা নতুন শিক্ষানীতি ২০২০ পঢ়িলেনে ?

→ পাঠ্যপুথি, পাঠ্যক্ৰম, সাম্প্ৰতিক গতি প্ৰবাহৰ প্ৰামানিকলিপি আপোনাৰ লগত আছেনে ?

**পৰিকল্পনা- কি, কিয় আৰু কেনেকৈ (**Planning-What, Why and How)?

→ পৰিকল্পনাৰ ক্ৰিয়া-কলাপৰ ভিতৰত তিনিটা নিৰ্দেশক সামৰিব পাৰি (Planning and the three indicators)

১) শিক্ষাদানৰ পৰিকল্পনা( Planning for Instruction)

২) শিক্ষাৰ্থীৰ কাম কৰাৰ পৰিকল্পনা(Planning for Students works)

৩) মূল্যায়ন ব্যৱস্থাৱলীৰ পৰিকল্পনা(Planning for Assessment)

১. **শিক্ষাদানৰ পৰিকল্পনা** : পৰিকল্পনা আৰু সুবিধা(Planning and Benefits)
→ ভালদৰে শ্ৰেণীকোঠাৰ পৰিচালনা কৰাৰ বাবে বৰঙণি যোগোৱা
→ শিক্ষাৰ্থীসকলৰ বাবে ফলপ্ৰসূ আৰু কাৰ্যদক্ষ শিকন অভিজ্ঞতা বৰঙণি যোগোৱা
→ এগৰাকী ব্যক্তি যেতিয়া নিজৰ পৰিকল্পনা থাকে আৰু এনেভাৱে পৰিকল্পনা কৰে যে তেওঁৰ শ্ৰেণীকোঠা সহজে পৰিচালনা কৰিব পাৰে (এইটো বাৰু এটা পৰিৱেশ সৃষ্টি কৰা নহয় নে)

২. **শিক্ষাৰ্থীৰ কাম**(Student work)-

→এজন ব্যক্তি, পৰিকল্পনা ভালদৰে কৰে, যিয়ে শিক্ষাৰ্থীক ফলপ্ৰসূ অভিজ্ঞতা প্ৰদান কৰে, যিদৰে শিক্ষাৰ্থীয়ে তাৰ পৰা শিকিব – কি শিকিব ? শিকনৰ ফলাফল – ক'ত ? নিদেৰ্শক তেওঁলোকে কি শিকিব ?
→ শ্ৰেণীকোঠাৰ শিকন পৰ্য্যৱেক্ষণ কৰি উন্নত কৰা আৰু সৰল কৰাৰ ভাল উপায়-
→ প্ৰাক্ পৰীক্ষা আৰু পাছৰ পৰীক্ষাৰ লগত কামবোৰ শ্ৰেণীবদ্ধ কৰা প্ৰয়োগ যাতে পাছলৈ উচ্চ পৰীক্ষাৰ লগত শাৰীবদ্ধভাৱে আগবাঢ়িব পাৰে।
→ শিক্ষকৰ দীৰ্ঘম্যাদী পৰিকল্পনা শিক্ষাৰ্থীৰ পৰিবৰ্তিত প্ৰয়োজন প্ৰতিফলন হোৱাকৈ সমন্বয় ঘটোৱা উচিত।
→ শিক্ষকে শিক্ষাৰ্থীৰ কামবোৰ উপগোটৰ বৈশিষ্ঠ্যসমূহৰ লগত পুনৰ পৰীক্ষা কৰিব পাৰে নাইবা শিক্ষাৰ্থীসকলে কোনো এটা বিষয়ত দক্ষতা আয়ত্ত কৰিব নোবাৰে কাৰণসমূহ আন এক বিশেষ নিৰ্ণায়কৰ দ্বাৰা তুলনা কৰি পৃথক কৰিব পাৰে।

৩. **মূল্যয়ন** (Assessment**)-**

→ মই মোৰ শিক্ষাৰ্থীসকলৰ পৰা মই যি শিকালোঁ সেইটোৰ পৰা তেওঁলোকে কি কৰিবলৈ সমৰ্থ হ'ল – সেইটোকে চাব বিচাৰো ।
→ মোৰ শিক্ষাৰ্থীসকলে কি শিকিলে সেইটো মই কেনেকৈ জানিম ?
→ যেতিয়া মই দুটা প্ৰশ্নৰ উত্তৰ নিয়মীয়াকৈ পায় থাকিম তেতিয়া শিক্ষকে ফলপ্ৰসূভাৱে পৰিকল্পনাৰ লক্ষণ চাই চিনাক্ত কৰিব পাৰিব আৰু অবিৰতভাৱে শিক্ষাৰ্থীৰ সাফল্যত হস্তক্ষেপ কৰিব পাৰিব।

**বৰ্ণনাকাৰী বা বৰ্ণনামূলক শব্দ শিক্ষাদান পৰিকল্পনাৰ বাবে(**Descriptor-for Instructional Plans)

১) জোখ ল'ব পৰা আৰু বিশদভাৱে ব্যাখ্যা কৰা লক্ষ্যসমূহ নিজৰাজ্যৰ নিৰ্দিষ্টমান স্বৰূপে লোৱা
২) উপাদান (বিষয়সূচী) সমূহৰ লগত শ্ৰেণীবদ্ধ কৰা
৩) ক্ৰিয়া-কলাপ, আহিলা আৰু মূল্যায়ন
৪) ক্ৰিয়া-কলাপ সমূহ সহজ অৰ্থাৎ আৰম্ভনিৰ পৰা শেষলৈ ক্ৰমানুসৰি সজাব লাগিব→
৫) ক্ৰিয়া-কলাপ সমূহ শিক্ষাৰ্থীৰ জ্ঞান অনুসৰি লগতে শিক্ষাৰ্থীৰ জীৱন আৰু আন বিষয়ৰ লগত সমন্বয় থকা হ'ব লাগিব।
৬) ক্ৰিয়া-কলাপসমূহ কৰিবলৈ উপযুক্ত সময়, শিক্ষাৰ্থীসকলক তেওঁলোকৰ কাম কৰিবলৈ তেওঁলোকৰ প্ৰতিফলন আৰু পাঠ আদিৰ বাবে ব্যক্তিগত প্ৰয়োজন অনুসৰি হ'ব লাগিব→
৭) পাঠ পৰিকল্পনাটো শিক্ষাৰ্থীৰ বয়স, জ্ঞান আৰু আগ্ৰহ অনুসৰি হোৱাটো প্ৰতিপন্ন হ'ব লাগিব
৮) পাঠ পৰিকল্পনাটোৱে শিক্ষাৰ্থীসকলৰ ব্যক্তিগত প্ৰয়োজন পূৰ কৰিবলৈ নিয়মিত সুবিধা প্ৰদান কৰিব লাগিব

**পৰিকল্পনা- শিক্ষকৰ পাঠ পৰিকল্পনাৰ মূল্যায়ন** (Planning-Evaluating lesson plan of Teacher)

→ বিষয়ৰ বাবে এককভাৱে পাঠ পৰিকল্পনাৰ বিকাশ
→ নিয়মিতভাৱে পাঠ পৰিকল্পনাত শিক্ষকৰ বাবে প্ৰতিপুষ্টিৰ ব্যৱস্থা
→ ক্ৰিয়া-কলাপ, আহিলা, মূল্যায়নৰ আহিলা, শিকনৰ উদ্দেশ্য, মূল্যায়ন আদি পৰীক্ষণ কৰা
→ প্ৰধান / অধ্যক্ষই তেওঁলোকৰ শিক্ষকৰ পাঠ পৰিকল্পনাসমূহ চকুফুৰাব পাৰে
→ শিক্ষকে নিজে নিজৰ পাঠ পৰিকল্পনা মূল্যায়ন কৰাৰ পাছত লিখিত বিশেষ প্ৰতিপুষ্টি সমূহ দিব পাঠদান কাৰ্যত।

**শিক্ষাদান পৰিকল্পনাত প্ৰশিক্ষণৰ প্ৰশ্ন** (Coaching Questions on students works)

→ উদ্দেশ্যসমূহ উপযুক্ত আৰু নিৰ্দিষ্টমান স্বৰূপে শ্ৰেণীবদ্ধ কিয় কৰিব লাগে ?
→ শিক্ষাৰ্থীৰ বাবে কোনো নিৰ্দিষ্ট মান আয়ত্ত কৰিবলৈ খুব অসুবিধা হোৱা দেখা যায় ?
→ কোনো নিৰ্দিষ্টমান আয়ত্ত কৰোৱালৈ শিক্ষাৰ্থীক কেনে উপ -অৰ্হতা শিকোৱাৰ প্ৰয়োজন হয় ?
→ শিক্ষাৰ্থীৰ শিকন উদ্দেশ্য আয়ত্ত কৰা আৰু পাঠ পৰিকল্পনা মাজত সম্পৰ্ক আছেনে ?
→ পাঠ পৰিকল্পনাত ক্ৰিয়া-কলাপ, আহিলা আৰু মূল্যায়ন সংযোজনৰ ক্ষেত্ৰত আপুনি কেনেদৰে সিদ্ধান্ত লব ?
→ আপুনি পাঠ পৰিকল্পনাত শিক্ষাৰ্থীৰ ব্যক্তিগত আগ্ৰহ আৰু প্ৰয়োজনসমূহ কিদৰে সংস্থাপন কৰিব ?

**বৰ্ণনাকাৰী শিক্ষক আৰু শিক্ষাৰ্থীৰ কামকাজ কেনেকৈ প্ৰস্তুত কৰি উপস্থাপন কৰিব** (How to Prepare and Presentation of Descriptor by Teacher with learners activities)?

১. শিক্ষাৰ্থীৰ কাম কাজবোৰ পোনে পোনে পুনৰাবৃত্তি নকৰি – সেইবোৰ সংগঠন, ব্যাখ্যাকৰি, বিশ্লেষণ কৰি , সংশ্লেষণ আৰু মূল্যায়ন কৰি উপস্থাপন কৰিব লাগে।

২. প্ৰসাৰিত লিখনে সহায় কৰা অনুসাৰে উদাহৰণৰ পৰা সিদ্ধান্ত গ্ৰহন কৰি যুক্তি প্ৰদৰ্শণেৰে সামৰণি মৰা

৩. শিক্ষাৰ্থীয়ে বিদ্যালয়ৰ বাহিৰ আৰু ভিতৰত যেনে পৰ্যৱেক্ষণৰ মনোভাৱ কোনো দৈনন্দিনৰ জীৱনত বিশেষ পৰিস্থিতিৰ পৰা আহৰণ কৰা অভিজ্ঞতাসমূহ তেওঁলোকে সঞ্চিত কৰা শিকনৰ লগত সংযোগসাধন কৰা ।

৪. শিক্ষাৰ্থীৰ কাম কাজবোৰ উন্নত কৰা আৰু শিক্ষাদানৰ দৃঢ়তা বৃদ্ধি কৰা।

৫. শিক্ষাৰ্থীৰ কাম কাজবোৰ প্ৰাক্‌পৰীক্ষা আৰু উত্তৰ পৰীক্ষাত ফলাফলৰ লগত শ্ৰেণীবদ্ধ কৰিব লাগে।

**শিক্ষাৰ্থীৰ কাম কাজৰ বাবে শিক্ষাদানৰ প্ৰশ্ন কেনেধৰণৰ হোৱা** উচিত(What type of coaching questions is suitable for learner centered activities ?

- পাঠৰ উদ্দেশ্য আৰু ৰাজ্যৰ শিক্ষাৰ লগত কিমান ওচৰ উচৰিকৈ শিক্ষাৰ্থীৰ কাম কাজ শ্ৰেণীবদ্ধ কৰা হৈছিল ?
- শিক্ষাৰ্থীৰ কাম কাজৰ মান নিৰ্ণয় কৰিবলৈ নিৰ্ণায়কসমূহ কেনেকৈ শিক্ষাৰ্থীৰ লগত আদান প্ৰদান কৰিব?
- নিৰ্দিষ্টকৈ দিয়া কাম কাজ সম্পূৰ্ণ কৰাৰ আগত প্ৰতি শিক্ষাৰ্থীসকলক তেওঁলোকৰ কাম কাজৰ মান নিৰ্ণয়কসমূহ স্পষ্টভাৱে তেওঁলোকক জানিবলৈ দিয়া প্ৰয়োজন নেকি?
- কেনে ধৰনৰ চিন্তা বা সমস্যা সমাধানৰ কৌশল শিক্ষাৰ্থীৰ কাম কাজৰ বাবে প্ৰয়োজন বুলি আপুনি ভাৱে ?
- শিক্ষাৰ্থীৰ কাম কাজৰ কেনে স্তৰৰ হব লাগে ?
- শিক্ষাৰ্থীক দিয়া নিদিষ্ট কাম তেওঁলোকে কেনেকৈ সম্পূৰ্ণ কৰে ?

**ফলপ্ৰসূ মূল্যায়ন,মৌলিক বা মূল বিপৰীত শিকন কেনে হোৱা উচিত** ?(What kind of Learning is suitable for Effective Evaluation, fundamental or Reversed Learning?)

১. ৰাজ্যৰ শিক্ষা বিষয়ৰ মানৰ লগত পাঠটি শ্ৰেণীবদ্ধ হয় নে ?

২. জোখ মাপৰ নিৰ্দিষ্ট আৰু স্পৰ্শ নিৰ্ণায়ক আছেনে ?

৩. শিক্ষাৰ্থীৰ কাৰ্য সম্পাদনৰ মাননিৰ্ণয় তিনিটাতকৈ বেছি উপায়েৰে কৰিব। উপায় তিনিটা কি কি

৪. বিস্তৃতভাৱে লিখা কাম প্ৰয়োজনীয় কিমান আছে বুলি ভাবে ?

৫. শিক্ষাৰ্থীৰ বিকাশৰ স্পষ্ট ব্যাখ্যাৰ দলিলপত্ৰ ৰাজ্যৰ বিষয়ৰ মান অভিমুখে গতি কৰেনে ?

৬. মূল্যায়নৰ ফলাফল সমূহ ভৱিষ্যত শিক্ষানিৰ্দেশনাত কেনেকৈ প্ৰয়োগ কৰিব সেইয়া জনাবলৈ বৰ্ণনা কৰি সংযোগ কৰক ।

**মূল্যায়নৰ বাবে শিক্ষাদানৰ প্ৰশ্ন**(Questions for Evaluation while Teaching)

→ কি ধৰণৰ নিৰ্ণায়ক মূল্যায়নৰ বিকাশৰ বাবে মনোনীত কৰা হয় ?

→ শিক্ষাৰ্থীৰ মূল্যায়নৰ বাবে কি মান নিৰূপণ আহিলা ব্যৱহাৰ কৰিব ?
→ শিক্ষাৰ্থীৰ ব্যক্তিগত প্ৰয়োজন, আগ্ৰহ আদিৰ মূল্যায়নক কেনেকৈ উপযোগীকৈ ব্যৱহাৰ কৰিব ?
→ আপুনি ভবিষ্যতৰ শিক্ষাদানৰ কাৰ্যত প্ৰভাব পৰাকৈ কেনেকৈ মূল্যায়নৰ ফলাফল ব্যৱহাৰ কৰিব ?
→ মই মোৰ শিক্ষাৰ্থীৰ পৰা মোৰ শিক্ষকৰ ফলাফল হিচাপে কি কৰিবলৈ সমৰ্থ হোৱাটো বিচাৰোঁ ?
→ মই যি শিকালোঁ মোৰ শিক্ষাৰ্থীয়ে শিকা বুলি কেনেকৈ বুজি পাম ?
→ গঠনশীল আৰু শেহান্তপৰীক্ষা বা অভীক্ষা কি ?
→ অবিৰত আৰু সামগ্ৰিক মূল্যায়ন কি আৰু যদি অবিৰত আৰু সামগ্ৰিক মূল্যায়ন কাৰ্যত পৰিণত কৰা হয় তেনেহলে শিক্ষাৰ্থীৰ শিকনত কেনেধৰণৰ প্ৰভাৱ পৰিব ?

**পৰিৱেশঃ সমল আৰু তথ্য মোৰ বাবে কি হব পাৰে** ?(Environment: Can it be as Resources and information for me in Teaching)

১. আশা প্ৰত্যাশা(Expectation)

২. শিক্ষাৰ্থীৰ আচৰণ সুচাৰূপে নিয়ন্ত্ৰণ কৰা(Managing students Behavior)

৩. পৰিৱেশ(Environment)

৪. সশ্ৰদ্ধ সংস্কৃতি(Respectful Culture)

**বৰ্ণনাকাৰী আশা প্ৰত্যাশাৰ বাবে –**(Descriptor for Expectation)

১. শিক্ষকৰ উচ্চ আৰু কড়া তাগিদা দিয়া শৈক্ষিক আশা প্ৰত্যাশাৰ সংকল্প থকা হ'ব লাগিব

২. শিক্ষকে শিক্ষাৰ্থীক ভুলৰ পৰা শিকিবলৈ উদগনি দিব লাগিব।

৩. শিকন সুবিধাসমূহৰ শিক্ষকে সৃষ্টি কৰিব লাগিব যাতে সকলোৱে তাৰ পৰা কৃতকাৰ্য হ'ব পাৰে। (শিক্ষকজন শ্ৰেণীকোঠাৰ শিক্ষণৰ বাবে উত্তৰদায়ী হব লাগিব)

৪. শিক্ষাৰ্থীয়ে নিজৰ কামৰ আৰম্ভনি কৰি সেইমতে আগবাঢ়িব লাগিব, (শিক্ষাৰ্থীয়ে নিজৰ শিকনৰ বাবে উত্তৰদায়ী হ'ব লাগিব )

৫. শিক্ষাদানৰ সময়সূচী শিক্ষকে বৃদ্ধি কৰিব , বিভিন্ন আহিলাৰে শিকাব আৰু সকলে শিক্ষাৰ্থীৰ পৰা উত্তম সাফল্য আশা কৰিব ।

**শিক্ষাৰ্থীৰ আচৰণ সুচাৰুৰূপে নিয়ন্ত্ৰন কৰিবলৈ বৰ্ণনাকাৰী** – Descriptor for Managing students Behaviors)

**এইটো শ্ৰেণীকোঠাত এজন শিক্ষকৰ বাবে কেনেকৈ সম্ভৱ হ'ব পাৰে?** How it is possible to a teacher in classroom?)

→ শিক্ষক আৰু শিক্ষাৰ্থীয়ে – শিকন আৰু শ্ৰেণীকোঠাৰ আচৰণৰ পৰা স্পষ্ট নিয়ম প্ৰৱৰ্তন কৰিব ।

→ শিক্ষকে বিভিন্ন কৌশল, সামাজিক পথগ্ৰহণ আৰু অবিৰাম ক্ৰিয়া-কলাপ আৰু কাৰ্যফল আদিৰে শিক্ষাৰ্থীৰ যথোপযুক্ত আচৰণ অটুট ৰাখিবলৈ চেষ্ঠা কৰিব।

→ শিক্ষকে অযৌক্তিক আচৰণ বিহঙ্গম সৃষ্টিৰে লক্ষ্য কৰিব লাগিব।

→ শিক্ষকে ততালিকে কোনো বিভেদ সৃষ্টি হ'লে দৃঢ়ভাৱে দায়িত্ব ল'ব লাগে।

**শ্ৰেণীকোঠাৰ পৰিৱেশৰ বাবে বৰ্ণনাকাৰীৰূপে শিক্ষকজন** (Descriptor for Environment)

- শিকনৰ পৰিৱেশ- আচবাব, সহজে পোৱা সঁজুলি, শিকন সমল, আদি যথাযথভাৱে ব্যৱহাৰ কৰা, সকলোৱে ব্যৱহাৰ কৰিব পাৰেনে?
- সকলো শিক্ষাৰ্থীয়ে বুজিপোৱা আৰু পৰিকল্পনা অনুযায়ী পাঠদান দিয়া হয়নে ?
- সমল আৰু সঁজুলি- সকলো শিক্ষাৰ্থীক যোগান ধৰা, শ্ৰেণীত ব্যৱহাৰ কৰা।
- শিক্ষাৰ্থীৰ কাম কাজসমূহ প্ৰদৰ্শন কৰিব আৰু সঘনে পৰিবৰ্তন কৰিব।
- দলীয় আৰু ব্যক্তি শিকনৰ উন্নতি সাধনৰ বাবে ব্যৱস্থা লয় নে ?
- বিভিন্ন প্ৰকাৰৰ ক্ৰিয়া-কলাপৰ বাবে শ্ৰেণীকোঠাটো প্ৰস্তুত কৰা সম্ভৱনে?
- ব্লেকবৰ্ড খন সকলো শিক্ষাৰ্থীয়ে স্পষ্টকৈ দেখা পোৱাত থোৱা, লিখাবোৰ সকলোৱে দেখা।
- জাননীফলকখন আকৰ্ষণীয়কৈ শিক্ষাৰ্থীৰ দ্বাৰা সজাই তোলা, পুৰনি কাম কাজবোৰ ফলকত দিয়া অভ্যাসটো বন্ধ কৰা। প্ৰতিটো মাহতেই নতুন কৰক ছাত্ৰৰ দ্বাৰা।
- দুৰ্বল আৰু দুখীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে ওপৰঞ্চিকৈ পাঠদানত ব্যৱস্থা ৰখা

**শ্ৰেণীৰ পৰিৱেশৰ বাবে শিক্ষাদানৰ প্ৰশ্ন** (Coaching Questions for Environment)

- দলীয় আৰু ব্যক্তিগত শিক্ষাদান আগবঢ়াবলৈ শ্ৰেণীকোঠাটো সজাই পৰাই লব পাৰেনে ?
- আন আন দলক শ্ৰেণী কোঠাত স্থান দিব পাৰিবনে ?
- তথ্যসমূহ ব্যবহাৰ কৰিব পৰাকৈ প্ৰচাৰ কৰেনে (মান, দিনটোৰ, লক্ষ্য সময়সূচী, কাৰ্যসূচী )
- মাননী ফলকত সকলো শিক্ষাৰ্থীয়ে নিজৰ কাম — কাজ প্ৰতিফলিত কৰাৰ সুযোগ পোৱাকৈ কেনেকৈ আপুনি পৰিকল্পনা কৰি নিৰ্দিষ্ট পথেৰে প্ৰেৰণ কৰিব।
- আপুনি আপোনাৰ মতে কাৰ্যকৰিবলৈ শ্ৰেণীকোঠা সাজু কৰাৰ বাবে আটাইতকৈ জটিল প্ৰত্যাহবানটো কি?
- কিছুমান সমাধান কেনে হোৱা উচিত?

**সমৃদ্ধ সংস্কৃতিৰবাবে বৰ্ণনাকাৰি**(Descriptor for Respectful Culture-Is it my Dress? Personality? Outlook of Teacher?)

এইয়া বাৰু মোৰ পোছাক নেকি? ব্যক্তিত্ব? শিক্ষকৰদৃষ্টিভঙ্গি?

- শিক্ষক — শিক্ষাৰ্থীৰ আন্তঃক্ৰিয়াই ইজন সিজনৰ প্ৰতি যত্নবান হোৱা আৰু সম্মান দেখুৱা প্ৰদৰ্শন কৰে।
- শিক্ষাৰ্থী সকলেও ইজনৰ প্ৰতি সিজনে যত্নবান আৰু সম্মান প্ৰদৰ্শন কৰে।
- শিক্ষাৰ্থীৰ আগ্ৰহ আৰু নিৰ্বাচিত কাৰ্যসমূহ সেই অনুসাৰে বিচাৰি ওলিয়াব।
- ইতিবাচক সম্বন্ধ আৰু পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল।
- শ্ৰেণীকোঠাৰ বৈশিষ্ট্য প্ৰদান কৰা।

- শ্ৰেণীকোঠাৰ ইতিবাচক পৰিৱেশ সৃষ্টি আৰু আনক সম্মান কৰা।
- শ্ৰেণীকোঠাৰ বাবে সামূহিক মূলকাৰ্য পদ্ধতি তৈয়াৰ কৰিব আৰু সেই আৰ্হিমতে নিয়মিতভাৱে ছাত্ৰ — ছাত্ৰীসকলক কৰোৱাব।

**সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাবান হোৱাৰবাবে শিক্ষাদানৰ প্ৰশ্ন** বা সশ্ৰদ্ধ সংস্কৃতিৰবাবে শিক্ষাদানৰ **প্ৰশ্ন**(Coaching Question on Respectful Culture )

- শিক্ষাৰ্থীয়ে সিদ্ধান্ত লোৱাৰক্ষেত্ৰত কৰ্তৃত্ব দিয়া হয়নে ?
- তেওঁলোক পৰস্পৰৰ ওপৰত নিৰ্ভৰশীলনে ?
- তেওঁলোক সহায় কৰাৰ সুবিধা পায়নে ?
- শিক্ষাৰ্থীসকলে ইজনে সিজনক মনোযোগদি শুনেনে ?
- শিক্ষাৰ্থীয়ে নিজৰ ভাব অনুভূতি আৰু আনৰ লগত সমানে ভগাই লোৱাত নিজকে সুৰক্ষিত বুলি ভাৱেনে ?
- শিক্ষাৰ্থীয়ে নিজৰ ধৈৰ্য আৰু সন্মান তেওঁৰ সমনীয়াৰ লগত, ভাই-ভনীৰ লগত, ওচৰ চুবুৰীয়াৰ লগত, মাক — দেউতাকৰ সন্মুখত প্ৰদৰ্শন কৰেনে ?
- যোগানধৰা লেখা -পঢ়াৰ সা-সজুঁলিসমূহ নিয়মঅনুসাৰে আৰু ভালকৈ ব্যৱহাৰ কৰেনে?

**বৃত্তিগত দক্ষতা: শিক্ষাদান কাৰ্যকৰা সম্প্ৰদায়ৰ মাজত শিক্ষকৰ কাৰ্যসাধনৰ মান- (**Professionalism: Performance Standard of teacher among Teaching Community)

**বৃত্তিগত দক্ষতাৰ বৃদ্ধি আৰু বিকাশ**(Professional Performance and Development)

- শিক্ষকজন শিকোৱাৰ আগতে প্ৰস্তুত হ'ব আৰু শিকোৱাত খৰতকীয়া হ'ব লাগিব।
- বৃত্তিগত দক্ষতা বিকাশৰ সভা বা সম্মিলনত ভাগ লোৱা।
- বৃত্তিগত দক্ষতা বিকাশৰ সভাত উপস্থিত থকাৰ পাছত শ্ৰেণীকোঠাত নতুন শিক্ষক প্ৰয়োগ কৰা।
- শিক্ষাৰ্থীৰ হস্তকাৰ্যৰ নিদৰ্শনসমূহ বৃদ্ধিকৰিব লাগে।
- এগৰাকী বিদ্যালয়ৰ প্ৰধান হিচাপে নতুন শিক্ষকৰ বিকাশৰ বাবে বিদ্যালয় উন্নয়ণ পৰিকল্পনা আৰু বৃত্তিগত মূল্যয়নৰ আধাৰত প্ৰস্তুত কৰিব লাগে।
- তেওঁ/তাইৰ নিপুণতা বিকাশৰ বাবে বিষয়ৰ জ্ঞান, শৈক্ষিক কৌশলৰ বৃদ্ধি কৰা।

**সমাজৰ অংশগ্ৰহণ** (Community Involvement (Family Members)

- বিদ্যালয়ৰ ক্ৰিয়া-কলাপ আৰু ঘটনাক সক্ৰিয়ভাৱে সহায় কৰা।
- বিদ্যালয়ৰ প্ৰতি সমাজৰ সহযোগিতাৰ আশা-প্ৰত্যাশা।
- বিদ্যালয় খন এখন সামাজিক প্ৰতিষ্ঠান — শিক্ষকৰ ভূমিকা।
- বিদ্যালয়ৰ উন্নতি সাধনৰ বাবে সমাজৰ উপাদানসমূহৰ লগত সংযোগসাধন।
- অবিৰতভাৱে শিক্ষক আৰু শৈক্ষিকদিশৰ যোগাযোগ।
- দৃষ্টিভঙ্গিৰ সলনি, উৎসাহ, উৎকৰ্ষতাৰ আশা আৰু মূল্যবোধ।
- পৰীক্ষামূলক শিকন - কাৰ্যশালা আৰু ব্যাৱহাৰিক শিক্ষা।

**মই ক'ত ?** (Where am I ?)

মই মোক কিমান ভালপাওঁ ?(How much do I love myself- Profession?)

- মই মোৰ প্ৰতি সুবিচাৰ কৰিছোঁনে ?

- মই যি কৰি আছোঁ তাৰদ্বাৰা ভগবানৰ ওচৰ কেনেকৈ পাম ?
- মই মোক গভীৰভাৱে জনাৰ কিমান প্ৰয়োজন ?

**তলত দিয়াবোৰ মই গভীৰভাৱে চিন্তা কৰিব পাৰোনে ?(**Can I have some time for me?)

- দিনটোৰ ভিতৰত মোৰ বাবে কিছুসময়ৰ প্ৰয়োজননে ?
- দিনটোৰ ভিতৰত মই মোৰ বাবে কিছুসময় পাওঁনে ? কিমান সময় মই পাওঁ ?

**১ মিনিট সময় নিৰবে ভাবি নিজৰে মূল্য নিৰ্দ্ধাৰণ কৰা**(Think for 1 minutes and rate yourself)

সেইবোৰ বুজিবলৈ চেষ্টা কৰা (Try to understand the following)

- সজাগতা: তুমি শুনিছা =( **A**wareness (স)
- বুজাবুজি: আপুনি ইয়াৰ অৰ্থ বুজিপায় আৰু ই কিয় গুৰুত্বপূৰ্ণ = বু (**U**nderstanding)
- প্ৰতিশ্ৰুতিবদ্ধ (সংলগ্ন): কামত বৃত্তিগত আচৰণ কৰিব পৰা অহতা প্ৰদৰ্শন কৰা = (প্ৰ) **E**ngaged)
- ঐক্যবদ্ধ কৰা: কামৰ বৃত্তিগত আচৰণত উচ্চস্তৰৰ অইতা প্ৰদৰ্শনত প্ৰতিশ্ৰুতিবদ্ধ হোৱা = ঐ(**I**ntegrated)
- নেতৃত্ব: আপুনি আনক সহায় কৰিব যাতে আনৰো এই বৃত্তিগত আচৰণৰ বিকাশ হয় নে (**L**eadership)

**A.U.E.I.**L. (স, বু, প্ৰ, ঐ, নে) আদিৰে নিজেৰ মূল্যায়ন কৰক।

**আপুনি কিমান** (Where are you ?

- বিষয়টো মানে - ১|২|৩|৪ বা A|B|C|D মুলাংকন কৰক
- পাঠ্যক্ৰম আৰু ইয়াৰ প্ৰতিটো সংশ্লিষ্ঠ উপাদান
- প্ৰতিটো সংশ্লিষ্ট উপাদান শিক্ষক প্ৰশিক্ষাৰ্থীক শিকাবলৈ কিমান ভালকৈ জানে
- প্ৰশিক্ষাৰ্থীক বুজি পোৱা
- ভালকৈ প্ৰস্তুত কৰা পাঠ পৰিকল্পনাৰে পাঠৰ বিনিময়/আদান-প্ৰদান
- পাঠ আদান-প্ৰদানৰ বাবে বিভিন্ন পদ্ধতি আৰু কৌশল প্ৰয়োগ
- বহুভাষিক পদ্ধতি গ্ৰহণ
- সৰ্বাত্মক শিক্ষাৰ প্ৰয়োগ
- ICT বা দৃশ্য শ্ৰাব্য সঁজুলিৰ ব্যৱহাৰ
- অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ প্ৰয়োগ
- বৃত্তিগত দিশৰ বিকাশ সাধনৰ বাবে দায়িত্ব আৰু আৰম্ভনি কৰিব লাগিব।
- প্ৰতিফলনত পটু হোৱা বা গভীৰভাৱে বিচাৰ কৰাত পটু হোৱা।

চিহ্ন গণনা = 4 মানে উত্তম, 3 = বৰ ভাল, 2 = মধ্যমীয়া, 1 = উন্নতিৰ প্ৰয়োজন বা বেয়া

| প্ৰয়োগ ক্ষেত্ৰ - | চিহ্ন গণনা: |
|---|---|
| বিষয়টো জনা - ১|২|৩|৪ বা A|B|C|D আপুনি ক'ত আছে? | |
| পাঠ্যক্ৰম আৰু ইয়াৰ সংশ্লিষ্ঠ উপাদানসমুহ জনা | |

| | |
|---|---|
| প্ৰতিটো সংশ্লিষ্ঠ উপাদান শিক্ষক প্ৰশিক্ষাৰ্থীক শিকাবলৈ জনা | |
| প্ৰশিক্ষাৰ্থীসকলক বুজি পোৱা | |
| ভালদৰে পৰিকল্পনা কৰা পাঠ পৰিকল্পনাৰ সহায়ত পাঠ আদান-প্ৰদান | |
| পাঠ আদান-প্ৰদান কৰিলৈ বিভিন্ন পদ্ধতি আৰু কৌশলৰ ব্যৱহাৰ | |
| বহুভাষিক পদ্ধতি গ্ৰহণ | |
| সৰ্বাত্মক শিক্ষাৰ প্ৰয়োগ | |
| দৃশ্য শ্ৰাব্য সঁজুলি বা ICT ৰ প্ৰয়োগ | |
| অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ প্ৰয়োগ | |
| বৃত্তিগত দিশৰ বিকাশ সাধনৰ বাবে আৰম্ভনি কৰা আৰু দায়িত্ব লোৱা। | |
| গভীৰভাৱে বিচাৰ কৰাত পটু হোৱা বা প্ৰতিফলনত পটু হোৱা। | |

নিজৰ মূল্যায়ন ?(Self-Evaluation)
আপুনি দলৰ (Where are you in the team?)

- অতি উত্তম স্থানত(Excellent in position)
- বৰ ভাল — আপোনাক মূল্যায়ন কৰি পোৱাধৰণে(Very Good-as per assessment made from your end)
- মধ্যমীয়া — পদানুসাৰে(Average as you did in ranking)
- বেয়া — মূল্যায়ন অনুসাৰে (Poor as per performance)

শিক্ষক শিক্ষাৰ্থীৰ শিক্ষা দিয়া কাৰ্যটো তেওঁলোকৰ প্ৰথম বিবেচনাৰ বিষয়, লগতে কাম আৰু আচৰণ কাৰ্যত যাতে উচ্চমান প্ৰাপ্ত হয় সেই দিশত জবাববিহীন দায়িত্ব ল'ব লাগে। শিক্ষকে সমন্বয় আৰু সাধুতাৰে কাম কৰিব লাগে; বিষয়ৰ ভাল জ্ঞান থাকিব লাগে, সদায় তেওঁলোকৰ জ্ঞানৰ ভাণ্ডাৰ সেহতীয়া তথ্য সম্বলিত আৰু আত্মসমালোচনামূলক হ'ব লাগে; ইতিবাচক সমন্ধৰ গঢ়ি তুলিব লাগে; শিক্ষাৰ্থীৰ ভালৰ বাবে আভিৰ্ভাবকৰ লগত কাম কৰিব লাগে।

## **শিক্ষকজন হ'ব লাগে**(The teacher must do the following)**:**

**১. উচ্চ আশা প্ৰত্যাশা দৃঢ়ভাৱে গ্ৰহণ কৰা যিয়ে প্ৰেৰণা,উদগনি আৰুপ্ৰত্যাহবান যোগায়(**Set high expectations which inspire, motivate and challenge Pupils)

- নিৰাপদ আৰু উদগনিমূলক পৰিৱেশ শিক্ষাৰ্থীৰ বাবে সৃষ্টি কৰিব লাগিব যিয়ে পৰস্পৰৰ প্ৰতি সনমানক সমৰ্থন জনায়।
- এনে ধৰনে লক্ষ্য নিৰ্ধাৰণ কৰিব লগিব যিয়ে সকলো ধৰণৰ পটভূমিত শিক্ষাৰ্থীৰ সামৰ্থ, প্ৰত্যাহবানৰ প্ৰসাৰণ কৰিব পাৰে।

- শিক্ষাৰ্থীৰ পৰা আশা কৰা মূল্যবোধ, ইতিবাচক আচৰণ, দৃষ্টিভংগী আদিৰ সংহতিপূৰ্ণ আৰু স্পষ্ট ভাৱে প্ৰদৰ্শন কৰিব লাগে।

**২. শিক্ষাৰ্থীৰ কামৰ ভাল ফলাফল বাবে উদ্যোগ লোৱা(**Promote good progress and outcomes by Pupils)

- শিক্ষাৰ্থীৰ সাফল্য, উন্নতি আৰু ফলাফলৰ বাবে উত্তৰদায়ী হোৱা।
- শিক্ষাৰ্থীৰ প্ৰাক্-জ্ঞান আৰু সামৰ্থ্যৰ প্ৰতি সচেতন হোৱা আৰু সেই অনুসাৰে শিক্ষা পৰিকল্পনা প্ৰস্তুত কৰা।
- শিক্ষাৰ্থীক সহায় কৰা তেওঁলোকৰ উন্নতি আৰু তেওঁলোকৰ বহি প্ৰকাশৰ প্ৰয়োজনত।
- শিক্ষাৰ্থীয়ে কেনেকৈ শিকে আৰু শিক্ষাত ইয়াৰ প্ৰভাৱ কেনেদৰে পৰে সেই জ্ঞান আৰু বোধৰ প্ৰদৰ্শন।
- শিক্ষাৰ্থীক নিজৰ কাম আৰু পঢ়া শুনাৰ দায়িত্ব আৰু সাৱধানতাৰে কৰাৰ বাবে উৎসাহ দিব লাগে।

**৩. ভাল বিষয় জ্ঞান আৰু পাঠ্যক্ৰমৰ প্ৰদৰ্শন** (Demonstrate Good subject and Curriculum Knowledge)

- প্ৰাসঙ্গিক বিষয় আৰু পাঠ্যক্ৰমৰ ক্ষেত্ৰত প্ৰত্যয়শীল জ্ঞান থকাৰ লগত শিক্ষাৰ্থীৰ বিষয়ত থকা আগ্ৰহত সহায় কৰা আৰু ভুল বুজাবুজিবোৰ নিবেদন কৰা।
- বিষয়ত থকা মননশীলবোধ আৰু পাঠ্যক্ৰমৰ ক্ষেত্ৰ প্ৰদৰ্শন কৰা আৰু পাণ্ডিত্যত মূল্যৰ উন্নতি ঘটোৱা।
- উচ্চমানত সাহিত্যৰ উন্নতি কৰাৰ দায়িত্ব লোৱা, শুদ্ধ উচ্চাৰণ আৰু উপযুক্ত ইংলিছৰ ব্যৱহাৰৰ স্পষ্টভাৱে দেখুৱা।
- যদি প্ৰাক্পঠন শিকোৱা হয় তেনেহলে বুজি পোৱাকৈ ক্ৰমাগতভাৱে সংশ্লেষণ সম্বন্ধীয় ধ্বনিৰ উচ্চাৰণ স্পষ্টভাৱে দেখুৱাব লাগে।
- প্ৰাক্ গনিত শিক্ষাৰ বাবে বুজি পোৱাকৈ উপযুক্ত প্ৰণালীৰ প্ৰয়োগ স্পষ্টভাৱে দেখুৱাব লাগে।

**৪. শুদ্ধ গাঁথনিৰে পাঠ পৰিকল্পনা কৰি শিকোৱা**(Plan and Teach well structured lesson)

- সময়ৰ সদ্ব্যৱহাৰ শিক্ষাদান কাৰ্য আৰু বোধৰ বিকাশ ঘটাব লাগে।
- শিক্ষাৰ্থীৰ বৌদ্ধিক অনুসন্ধিৎসা আৰু শিকিবলৈ ভালপোৱা কাৰ্যৰ উন্নতি ঘটাব লাগে।
- শিক্ষৰ্থীয়ে আহৰণ কৰা জ্ঞান আৰু বোধৰ প্ৰসাৰ হোৱাকৈ ঘৰৰকাম আৰু শ্ৰেণীৰকামৰ বহিৰে বহিৰা কামৰ ব্যৱস্থা কৰিব লাগে।
- পাঠ ফলপ্ৰসূ হোৱাকৈ ক্ৰমানুসাৰে চিন্তা কৰি পাঠ প্ৰদানৰ আগবাঢ়িব লাগে।
- পাঠ্যক্ৰমৰ লগত প্ৰাসংগিক বিষয়ৰ ক্ষেত্ৰ সাঙুৰি লোৱা আৰু সমোৱাৰ বাবে বৰঙণি দিয়া নিজৰ অবদান আগবঢ়োৱা।

৫. **শিক্ষাৰ্থীৰ প্ৰয়োজন আৰু সামৰ্থ্যৰ প্ৰতি সহাঁৰি দিবলৈ শিক্ষা ব্যৱস্থা ঠিক-ঠাক কৰি কামত খটুৱা**(Adapt Teaching to respond to the strengths and needs of all students)

- উপযুক্তভাৱে পৃথকীকৰণ কেতিয়া আৰু কেনেকৈ কৰিব লাগে জনা, এনে উপায় অৱলম্বন কৰিব যিয়ে শিক্ষাৰ্থীক ফলপ্ৰসূভাৱে শিক্ষাত সমৰ্থ কৰি তোলে।
- শিক্ষাৰ্থীৰ শিকন সমৰ্থত কেনে ধৰণৰ উপাদানে বাধা প্ৰদান কৰিব পাৰে সেই সম্বন্ধে এক আত্মপ্ৰত্যয়শীল বোধ থাকিব লাগে আৰু কেনেকৈ সেইবোৰ অতিক্ৰম কৰিব পাৰে।
- শিক্ষাৰ্থীৰ শাৰীৰিক, সামাজিক, বৈদ্ধিক বিকাশৰ প্ৰতি থকা সজাগতা স্পষ্ট কৈ প্ৰকাশ কৰিব লাগে, আৰু কেনে ধৰণৰ শিক্ষণে শিশুৰ বিভিন্ন বিকাশৰ স্তৰত সহায় কৰিব সেই বিষয় জানিব লাগে।
- শিক্ষাৰ্থীৰ প্ৰয়োজন সম্পৰ্কে এটা স্পষ্ট ধাৰণা থকিব লাগে, অৰ্থাৎ যিসকলৰ বিশেষ শিক্ষাৰ প্ৰয়োজন; যিসকল উচ্চমান সম্পন্ন; যিসকলৰ ইংলিচ বিষয়টো উপৰঞ্চি বিষয়; যিসকল অক্ষম; লগতে তেওঁলোকক এটা স্পষ্ট শিক্ষা পদ্ধতি প্ৰয়োগ কৰি শিকনত সহায় কৰাৰ লগতে মূল্যায়ন কৰিবলৈ সমৰ্থ হ'ব।

**৬. নিৰ্ভুল আৰু আহৰণসাধ্য মূল্যায়নৰ প্ৰয়োগ** (Make Accurate and Productive use of Assessment)

- পাঠ্যক্ৰমৰ প্ৰাসংগিক বিষয়সমূহ কেনেকৈ মূল্যায়ন কৰিব সেইটো জনা আৰু বুজাৰ লগতে বিধিসন্মত মূল্যায়নৰ প্ৰয়োজন বুলি ভবা কথাবোৰো সাঙুৰি ল'ব লাগিব।
- গঠনমূলক আৰু শেহান্ত মূল্যায়নৰ প্ৰয়োগ কৰিব লাগিব যাতে শিক্ষাৰ্থীৰ প্ৰগতি সুনিশ্চিত হয়।
- শিক্ষাৰ্থীৰ প্ৰগতি নিৰীক্ষণ কৰি নিৰ্দিষ্ট লক্ষ্য নিৰ্ধাৰণ কৰি পৰৱৰ্ত্তী পাঠৰ পৰিকল্পনা কৰিব লাগিব।
- শিক্ষাৰ্থীক নিয়মীয়াকৈ প্ৰতিপুষ্টি প্ৰদান কৰিব লাগিব, দুই ধৰনে মৌখিৰভাৱে আৰু উপযুক্তভাৱে নামাকিংত কৰি লগতে শিক্ষাৰ্থীক প্ৰতিপুষ্টিৰ প্ৰতি সহাঁৰি জনোৱাত উৎসাহ দিব লাগিব।

**৭. শিকন পৰিৱেশ ভাল আৰু নিৰাপদ হোৱাকৈ নিশ্চিত কৰাৰ বাবে আচৰণ ফলপ্ৰসূ হোৱাকৈ নিয়ন্ত্ৰণ কৰা** (Mange Behavior effectively to ensure a good and safe learning Environment)

বিদ্যালয়ত আচৰণ সম্বন্ধীয় নিয়ম আৰু স্পষ্ট কাৰ্যসূচী থাকিব লাগিব, বিদ্যালয়ৰ বাহিৰ আৰু ভিতৰত সৌজন্যমূলক আচৰণ প্ৰদৰ্শনৰবাবে দায়িত্ব ল'ব লাগিব, আৰু এইটো বিদ্যালয়ৰ আচৰণবিধি অনুসৰি হ'ব লাগিব।

- আচৰণসম্বন্ধে উচ্চমানৰ আশাপ্ৰত্যাশা থাকিব লাগিব, আৰু তাৰ বাবে অনুশাসনৰ গাঁথনি তৈয়াৰ কৰি সেইবোৰ পালনৰ অৰ্থে বঁটা, পুৰস্কাৰ, প্ৰশংসা আদি ভালদৰে আৰু সঘনে দিব লাগিব।
- শ্ৰেণীকোঠা ফলপ্ৰসূভাৱে নিয়ন্ত্ৰণ কৰিবলৈ শিক্ষাৰ্থীৰ উপযুক্ত হোৱাকৈ কাৰ্য প্ৰণালী গ্ৰহণ কৰে যাতে তেওঁলোকে সেইকামত নিজকে নিযুক্ত কৰিব পাৰে আৰু আগ্ৰহী হয়।
- শিক্ষাৰ্থীৰ লগত এটা ভাল সম্বন্ধ ৰক্ষা কৰি চলিব লাগে আৰু প্ৰয়োজন অনুসৰি নিজৰ অধিকাৰ প্ৰয়োগ কৰি দৃঢ়মনে কাম কৰিব লাগে।

**৮. বৃত্তিগত দায়িত্বসমূহ** বিস্তৃতভাৱে **পূৰ্ণ কৰিব লাগে(**Fulfill wider professional Responsibilities)

- বিস্তৃতজীৱন আৰু বিদ্যালয়ৰ বৈশিষ্টমূলক — আচৰণত প্ৰভাৱ পৰাকৈ ইতিবাচক বৰঙনি আগবঢ়াব লাগে।
- সহকৰ্মীসকলৰ লগত ফলপ্ৰসূভাৱে বৃত্তিগতসম্বন্ধ গঢ়ি তুলিব লাগে, লগতে জানিব লাগে যে কেতিয়া আৰু কেনেকৈ সহকৰ্মী সকলৰ পৰা পৰামৰ্শ বা বিশেষসহায় গ্ৰহণ কৰিব লাগে।
- ফলপ্ৰসূভাৱে কৰ্মচাৰীসকলক কামত লগাব লাগে।
- সহকৰ্মীসকলৰ পৰা পোৱা পৰামৰ্শ আৰু প্ৰতিপুষ্টিসমূহক সহাঁৰি জনাই নিজৰ বৃত্তিৰ বিকাশ সাধন আৰু উন্নত কৰিবলৈ দায়িত্ব গ্ৰহণ/দায়বদ্ধ হ'ব লাগে।
- শিক্ষাৰ্থীৰ সফলতা আৰু কল্যাণৰ বাৰে তেওঁলোকৰ অভিভাৱক আৰু পিতৃ-মাতৃৰ লগত ফলপ্ৰসূভাৱে যোগাযোগ কৰিব লাগে।

**ব্যক্তিগত আৰু বৃত্তিগত চাল-চলন(**Personnel and Professional Conduct)

- এজন শিক্ষকে ব্যক্তিগত আৰু বৃত্তিগত চাল-চলনত দৃঢ়তাৰে উচ্চমান প্ৰদৰ্শন কৰিব বুলি আশা কৰা হয়। ওপৰৰ কথাখিনিয়ে এজন শিক্ষকৰ শিক্ষকতা কৰা গোটেই সময়খিনিত তেওঁৰ আচৰণ দৃষ্টিভঙ্গী কেনে হোৱা প্ৰয়োজন সেইটোকে বুজাইছে।
- শিক্ষককে নিজৰ বৃত্তিত জনসাধাৰণৰ সমৰ্থন ৰক্ষা কৰিব লাগে আৰু উচ্চমানৰ নীতি আৰু আচৰণ শ্ৰেণীকোঠাৰ ভিতৰ আৰু বাহিৰত বজায় ৰাখিব লাগে।
- শিক্ষকে বৃত্তিগত স্থানৰ ভিতৰতে থাকি শিক্ষাৰ্থীক মৰ্যাদাসহকাৰে আচৰণ কৰা দুয়োপক্ষৰ সম্বন্ধ সম্মানসহকাৰে ৰক্ষা কৰা আৰু সকলো সময়তে নিৰীক্ষণ কৰিব লাগে।
- শিক্ষাৰ্থীৰ কল্যাণৰ নিৰাপত্তাৰ প্ৰয়োজনীয়তাৰ কথা আইনসম্বন্ধীয় অনুসৰি বিবেচনা কৰিব লাগে।
- আনৰ অধিকাৰক সহনশীলতাৰে সম্মান প্ৰদৰ্শন কৰিব পাৰিব লাগে।
- গণতন্ত্ৰ, আইনৰ নীতি, ব্যক্তিগত স্বাধীনতা আৰু পাৰস্পৰিক সম্মান, আনৰ ধৰ্মালম্বী আৰু বিশ্বাসৰ ব্যক্তি মৌলিক মূল্যবোধক অৱমাননা নকৰা।
- ব্যক্তিগত বিশ্বাসবোৰ এনেধৰনে প্ৰকাশ কৰিব নালাগে যিয়ে শিক্ষাৰ্থীৰ অসুচল অৱস্থা শোষণ কৰে বা তেওঁলোকক নিয়মভংগ কৰিবলৈ আগবঢ়াই নিয়ে, সেইটা নিশ্চিত কৰিব লাগে।
- শিক্ষকৰ বিশ্বাস, তেওঁলোকৰ বিদ্যালয়ৰ আঁচনি, অভিজ্ঞতা আদি য'ত তেওঁলোকে শিকায়, তাত তেওঁলোকৰ উপস্থিতি আৰু নিয়মানুবৰ্ত্তিতাৰ প্ৰতি উপযুক্ত আৰু বৃত্তিগত সমাদৰ থকা উচিত।
- শিক্ষকে বুজিপোৱা উচিতযে সদায় তেওঁলোকে তেওঁলোকক বৃত্তিগত কাম আৰু দায়িত্বসমূহ যিটো আইনগত আধাৰত দিয়া হৈছে তেনেদৰে সম্পন্ন কৰিব লাগে।

প্ৰধান শিক্ষকে এক গুৰুত্বপূৰ্ণ আদৰ্শ ভূমিকা ৰূপায়ণ কৰিব লাগে আৰু শিক্ষাৰ্থীক সপোন দেখুৱা দায়িত্ব পালন কৰিব লাগে। পাঠদান কাৰ্যত শিক্ষক সকলৰ SWOT Analysis ৰ প্ৰয়োজনীয়তাৰ কথা আৰু শিক্ষকসকলক একো একোজন ফলপ্ৰসূ শিক্ষক হ'বলৈ অনুৰোধ। PINDICS সম্পৰ্কেও এটা সাধাৰণ ধাৰণা গ্ৰহণ কৰিব।The PINDICS consists forms to assess the Performance Standard, Performance Indicators and Special Standard. It is use to assess the Performance and Progress of teachers in classroom situation. For details detail please visit-https://www.apteacher.net/pindices.ncert.gov.in

**সামৰণি (Conclusion)-**

বিদ্যালয়খনৰ মূৰব্বী হিচাপে আপোনাৰ প্ৰধান কাম হ'ব ছাত্ৰ-ছাত্ৰীৰ কৃতকাৰ্যতাক কেনেকৈ উন্নীতকৰণ কৰি আগুৱাই নিব। শিক্ষণ-শিকনৰ উপাদানবোৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ পাগতালি, বোধগম্যতা আৰু দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা শিকন প্ৰতিভাৰ ৰূপান্তৰ কৰা বিদ্যালয়খনৰ প্ৰতি দায়িত্ব, ছাত্ৰ-ছাত্ৰীক অনুসন্ধানৰ কাৰণে নতুন চিন্তা-চৰ্চা কৰিবলৈ , শিক্ষকৰ বৃত্তিগত জ্ঞান আৰু কৌশলৰ উন্নিতকৰণ কৰা ইত্যাদি কামৰ নেতৃত্ব বহনকাৰী এজন দক্ষ নেতা ৰূপে পৰিচিত হোৱা। এনে কামৰ সুব্যৱস্থাৱলী বাবে আপোনাক পৰিকল্পনাৰ প্ৰয়োজন। শিক্ষকৰ শিক্ষাদান শৈলী বুজিব পৰা, প্ৰতিগৰাকী শিক্ষকৰ বৃত্তিধাৰী মনোভাৱ বৃদ্ধি কৰা, শ্ৰেণীকোঠাত শিকন প্ৰক্ৰিয়াবোৰ কাৰ্যকৰণ কৰি শিকনৰ মান বৃদ্ধি কৰা আৰু শিক্ষাৰ উদ্দেশ্যৱলী সমাজৰ মাজত প্ৰসাৰ কৰা প্ৰধান শিক্ষকৰ মূল দায়িত্ব। ছাত্ৰ-ছাত্ৰী বিদ্যালয়খনলৈ কিয় আহিব লাগে, শিকাৰ অনুসন্ধান আৰু সুক্ষ্ম বিচাৰ-বিবেচনাৰ কেন্দ্ৰৰূপে বিদ্যালয়খন ধৰি ৰক্ষা শিশুকেন্দ্ৰিক শিক্ষণশৈলীৰ ব্যৱস্থা, বিশেষ শিক্ষণ শৈলীৰ উন্নীতকৰণ, শিক্ষকৰ বৃত্তিগত উন্নতিৰ আৱশ্যকতা, প্ৰশিক্ষণ আৰু পৰামৰ্শ প্ৰদান, বিদ্যালয়ৰ অংশীদাৰীসকলক চিনাক্ত কৰি তেওঁলোকক জড়িতকৰণ, শিকনৰ যৌথ দায়িত্ব, শিকনত অভিভাৱক জড়িত কৰা, বিদ্যালয়ত অভিভাৱকসকলক সাঙোৰ খোৱাত উৎসাহ দিয়া, সমাজৰ সৈতে কাম কৰা, বিদ্যালয় আৰু সমাজৰ সম্পৰ্ক বুজি উঠা, বৃত্তিধাৰী শিকনৰ সমূদায়ৰ লগত কাম কৰা, সমনীয়াৰ লগত বা অন্য বিদ্যালয়ৰ প্ৰধানৰ লগত সালসলনি হৈ শিকনৰ বাবে এখন মঞ্চ গঠন কৰা। প্ৰধান শিক্ষকৰ অংশগ্ৰহণ, অংশীদাৰ, আদান প্ৰদান কৰা কাৰ্যই মূলত শিশুসকলৰ মাজত শিক্ষাৰ বাবে জিজ্ঞাসাৰ সৃষ্টি কৰে।

Reference-→1. Please visit www.learnnc.org for classroom management

2.National Institute of Excellence in Teaching-www.niet.org